# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 31-05-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে মধ্যপ্ৰদেশলৈ যাব।

২। কেন্দ্ৰীয় চৰকাৰে অশোধিত পাম তেল, অশোধিত চয়াবিন তেল আৰু অশোধিত সূৰ্যমুখী তেলৰ ওপৰত আৰোপিত বুনিয়াদী সীমা শুল্ক ১০ শতাংশলৈ হ্ৰাস কৰিছে।

৩। দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা ধাৰাষাৰ বৰষুণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ স্বাভাৱিক জীৱনযাত্ৰা বাৰুকৈয় ব্যাহত হৈছে।

৪। দেশত যোৱা ২৩ মে'ত সমাপ্ত হোৱা সপ্তাহটোত বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৬৯ হাজাৰ ২৭০ কোটি ডলাৰলৈ বৃদ্ধি পাইছে।

*আৰু*

৫। মুম্বাই ইণ্ডিয়ানছে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত গুজৰাট টাইটানছক ২০ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে মধ্যপ্ৰদেশলৈ যাব। ভ্ৰমণ কালত শ্ৰীমোদীয়ে ভূপালত আয়োজিত লোকনেতা দেৱী অহিল্যা বাই হোল্কৰ সবলীকৰণ মহাসন্মিলনত ভাগ লোৱাৰ লগতে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ ভিতৰত দতিয়া আৰু ছতনা বিমান বন্দৰ অন্যতম। শ্ৰীমোদীয়ে লগতে চিপৰা নদীৰ ওপৰত ৮৬০ কোটিৰো অধিক টকাৰে ৰূপায়ন কৰিবলগীয়া ঘাট নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ ইন্দোৰ মেট্ৰ'ৰ ৰেল লাইনৰ সেৱাও মুকলি কৰিব। তদুপৰি তেওঁ এহেজাৰ ২৭১টা অটল গ্ৰামীণ সু-শাসন ভৱনৰ নিৰ্মাণৰ বাবে ৪৮০ কোটিৰো অধিক টকাৰ প্ৰথমটো কিস্তি হস্তান্তৰ কৰিব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অশোধিত পাম তেল, অশোধিত চয়াবিন তেল আৰু অশোধিত সূৰ্যমুখী তেলৰ ওপৰত আৰোপিত বুনিয়াদী সীমা শুল্ক ১০ শতাংশলৈ হ্ৰাস কৰিছে। খোৱা তেলৰ খুচুৰা মূল্য হ্ৰাস কৰা আৰু প্ৰ-সংস্কৰণৰ সৈতে জড়িত ঘৰুৱা উদ্যোগিকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে

সীমা শুল্ক হ্ৰাসৰ সিদ্ধান্ত ততালিকে কাৰ্যকৰী হোৱাকৈ এই সন্দৰ্ভত কালি এখন অধিসূচনা জাৰি কৰিছে। অৱশ্যে পৰিশোধিত তেলৰ ওপৰত আৰোপিত সীমাশুল্ক ৩২ দশমিক ৫ শতাংশত অপৰিৱৰ্তিত ৰখা হৈছে।

ইয়াৰ পূৰ্বে, এই তিনিবিধ খোৱাতেলৰ ওপৰত আৰোপিত শুল্ক ২০ শতাংশ হ্ৰাস কৰা হৈছিল। উল্লেখযোগ্য যে, ভাৰতে খোৱাতেলৰ ঘৰুৱা চাহিদাৰ ৫০ শতাংশই আমদানিৰ জৰিয়তে পূৰণ কৰে। ভাৰতে ২০২৩-২৪ বিপণন বৰ্ষত ১৫৯ লাখ ৬০ হাজাৰ টন খোৱাতেল আমদানি কৰিছে।

ooooo

দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা ধাৰাষাৰ বৰষুণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ স্বাভাৱিক জীৱনযাত্ৰা বাৰুকৈয় ব্যাহত হৈছে।

অসমত নেৰা-নেপেৰাকৈ হোৱা ধাৰাষাৰ বৰষুণ আৰু বতাহৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা বিঘ্নিত হৈছে। গুৱাহাটীত কালি ভালেমান অংশ জলমগ্ন হৈ পৰে আৰু জনসাধাৰণৰ দৈনন্দিন জীৱন স্তব্ধ হৈ পৰে। ৰাজ্যখনৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ আৰু ঘাই ঘাই নৈসমূহৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি পাইছে আৰু ৰাজ্যৰ বিভিন্ন স্থানত নৈসমূহৰ জলস্তৰ বিপদ সীমাৰ ওপৰেদি বৈ আছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে গুৱাহাটীত দ' অঞ্চলসমূহত বাসকৰা জনসাধাৰণৰ সহায়ৰ বাবে ৰবৰৰ নাও নিয়োজিত কৰিছে। ধুবুৰী, দক্ষিণ শালমাৰা- মানকাচৰ, গোৱালপাৰা আৰু ডিমা হাচাওৰ দৰে জিলাসমূহত আকস্মিক বান আৰু ভূমিস্খলনৰ আশংকাত দেখা দিছে। ধাৰাষাৰ বৰষুণ আৰু বতাহৰ বাবে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰীসেৱা সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধাৰাষাৰ বৰষুণ অব্যাহত থকাৰ সম্ভাৱনা প্ৰকাশ কৰি অসমৰ বিভিন্ন জিলাৰ বাবে আজি পৰ্যন্ত ৰেড এলাৰ্ট জাৰি কৰিছে।

অৰুণাচল প্ৰদেশত কেতবোৰ অঞ্চলত ধাৰাষাৰ বৰষুণৰ বাবে আকস্মিক বান হোৱা পৰিলক্ষিত হৈছে। উজনি সোৱণশিৰি জিলাত চিগিন নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰেদি বৈ আছে আৰু নৈখনৰ বাঢ়নী পানীয়ে ভালেমান এলেকা বুৰাই পেলাইছে। জিলাখনত বানৰ ফলত ১০০ ৰো অধিক বাসগৃহ আৰু অন্য আন্তঃগাঁথনিৰ ব্যাপক ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে।

মেঘালয়তো দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত ধাৰাষাৰ বৰষুণ হৈছে। ৰাজ্যখনত ২৮ মে' পৰ্যন্ত গড়ে ৭৩৯ দশমিক ১ মিলিমিটাৰ বৰষুণ দিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুদিনলৈ ৰাজ্যখনত বৰষুণ অব্যাহত থাকিব বুলি আগলি বতৰা দিছে।

মিজোৰামৰ ৰাজধানী আইজলৰ উত্তৰ-পশ্চিম অংশৰ থুৱামপুই এলেকাত বৰষুণৰ বাবে এখন দেৱাল খহি পৰাৰ ফলত এগৰাকী ৩৭ বছৰীয়া লোকৰ মৃত্যু হয় আৰু অন্য এজন আহত হয়।

ooooo

কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহলৈ কৰ হস্তান্তৰৰ অংশ হিচাপে ৮১ হাজাৰ ৭৩৫ কোটি টকাৰ অতিৰিক্ত কিস্তিত অনুমোদন জনাইছে। ২ জুনত এই পুঁজি মোকলাই দিয়া হ'ব। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, হস্তান্তৰৰ এই অতিৰিক্ত কিস্তিৰ জৰিয়তে ৰাজ্যসমূহে নিজৰ মূলধনী ব্যয় বৃদ্ধি কৰিব পাৰিব আৰু বিকাশ তথা কল্যাণমূলক কাম-কাজৰ বাবে পুঁজি যোগান ত্বৰান্বিত কৰিব পাৰিব। মন্ত্ৰালয়ে কৈছে যে এই ধনৰাশি ১০ জুলাইত মোকলাই দিবলগীয়া ৮১ হাজাৰ ৭৩৫ কোটি টকাৰ নিয়মীয়া হস্তান্তৰৰ অতিৰিক্ত হ'ব। সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদ আৰু

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য অনুযায়ী ৰাজ্যসমূহলৈ কৰ হস্তান্তৰৰ এই অতিৰিক্ত মোকলাই দিয়া হ'ব বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

00000

ধঁপাত সেৱনৰ ফলত হ'ব পৰা বিপদৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰা হৈছে। ধঁপাতৰ সেৱন বন্ধ কৰাৰ বাবে এয়া বিশ্ব স্বাস্থ্য সংস্থাৰ এটা বিশ্বব্যাপী পদক্ষেপ। WHOৰ তথ্য অনুসৰি বিশ্বজুৰি প্ৰায় ১৩ বিলিয়ন লোকে ধঁপাত সেৱন কৰে আৰু ভাৰত ধঁপাতৰ দ্বিতীয় বৃহত্তম উৎপাদনকাৰী আৰু সেৱনকাৰীৰ দেশলৈ পৰ্যবসিত হৈছে। Global Youth Tobacco Survey ২০১৯ৰ তথ্য অনুসৰি সমগ্ৰ দেশতে ১৩ৰ পৰা ১৫ বছৰ বয়সৰ ৮.৫ শতাংশ স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণৰ ধঁপাত সেৱন কৰে। ধঁপাত মহামাৰী আৰু ইয়াৰ সেৱনৰ ফলত হব পৰা ৰোগৰ প্ৰতি বিশ্বব্যাপী সজাগতা সৃষ্টিৰ লক্ষ্যৰে ১৯৮৭ চনত প্ৰথমবাৰৰ বাবে বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰা হৈছিল। 'উজ্জ্বল সামগ্ৰী, অন্ধকাৰ উদ্দেশ্য' থীমেৰে এই বছৰ ধঁপাত বিৰোধী দিৱস পালন কৰা হৈছে।

00000

দেশত যোৱা ২৩ মে'ত সমাপ্ত হোৱা সপ্তাহটোত বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৬৯০ কোটি ডলাৰ বৃদ্ধি পাই ৬৯ হাজাৰ ২৭০ কোটি ডলাৰ হয়। ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা সাপ্তাহিক পাৰিসাংখ্যিক তথ্য অনুসৰি যোৱা সপ্তাহত বিদেশী মুদ্ৰা সম্পত্তি ৪৫০ কোটি ডলাৰ বৃদ্ধি পাই ৫৮ হাজাৰ ৬১০ কোটি ডলাৰ হয়গৈ। একেদৰে বিদেশ মুদ্ৰা ভাণ্ডাৰত জমা থকা সোণৰ পৰিমাণ ২৩০ কোটি ডলাৰ বৃদ্ধি পাই ৮৩ হাজাৰ ৫৮ কোটি ডলাৰ হয়। ইপিনে, বিশেষ আহৰণ অধিকাৰ ৮ কোটি ১০ লাখ ডলাৰ বৃদ্ধি পাই ১৮ হাজাৰ ৫৭ কোটি ডলাৰ হৈছে। একেদৰে, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিত কেন্দ্ৰীয় বেংকৰ স্থিতিও ৩ কোটি ডলাৰ বৃদ্ধি পাই ৪৪০ কোটি ডলাৰ হৈছে।

00000

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিছে। আয়োগৰ অধ্যক্ষ হংসৰাজ গংগাৰাম আৰু পিছপৰা শ্ৰেণী ৰাষ্ট্ৰীয় আয়োগৰ সদস্য ভুৱন ভূষণ কমলে ৰাষ্ট্ৰপতি মুৰ্মুক কালি এই প্ৰতিবেদন প্ৰদান কৰে।

00000

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত সাহিত্য অকাডেমীৰ উদ্যোগত "সাহিত্যৰ কিমান পৰিৱৰ্তন হৈছে? - শীৰ্ষক এখন দুদিনীয়া সন্মিলনৰ আয়োজন কৰা হয়। এই সন্মিলনত নাৰীবাদী সাহিত্য, সাহিত্যৰ পৰিৱৰ্তন আৰু ভাৰতীয় সাহিত্যৰ নতুন দিশ সম্পৰ্কে আলোচনা কৰা হয়। বক্তাসকলে সাহিত্যত মহিলাৰ অৱদান, সমাজ গঢ় দিয়াত সাহিত্যৰ ভূমিকা, ভাৰতীয় লেখাৰ ওপৰত বিশ্বায়নৰ প্ৰভাৱ আদি বিষয়সমূহ আলোকপাত কৰে। দেৱী অহিল্যাবাই হোলকাৰৰ ৩০০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে প্ৰদৰ্শিত বিশেষ অনুষ্ঠানেৰে সন্মিলনৰ সামৰণি পৰে। সাহিত্য আৰু মহিলাৰ লেখাৰ প্ৰসাৰৰ বাবে অকাডেমীয়ে গ্ৰহণ কৰা এই প্ৰচেষ্টাৰ অভ্যাগতসকলে শলাগ লয়।

00000

নিউজিলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী উইনষ্টন পিটাৰ্ছে শেহতীয়াকৈ পহালগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা জনাইছে আৰু নিউজিলেণ্ড, ভাৰতৰ জনসাধাৰণৰ সৈতে আছে বুলি মত প্ৰকাশ কৰিছে। ভাৰত ভ্ৰমণৰত পিটাৰ্ছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত বাণিজ্য আৰু অৰ্থনীতি, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, পৰম্পৰাগত চিকিৎসা, ক্ৰীড়া, শিক্ষা আৰু জনসম্পৰ্কক ধৰি বিভিন্ন দিশত দেশদুখনৰ দ্বিপাক্ষিক সম্পৰ্কই স্থান লাভ কৰে। দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভতো মত বিনিময় কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বিবৃতিযোগে কয় যে বিভিন্ন খণ্ডত ক্ৰমবৰ্ধমান সহযোগিতা আৰু গণতান্ত্ৰিক মূল্যবোধেৰে ভাৰত আৰু নিউজিলেণ্ডৰ মাজত গভীৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে।

০০০০০

ভাৰতৰ কিৰণ আৰু দীপকে চতুৰ্থ থাইলেণ্ড অপেন ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাৰ নিজ নিজ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কিৰণে কালি মহিলাৰ ৮০ কিলোগ্ৰামৰ অধিক শাখাৰ ছেমি ফাইনেলক ইউক্ৰেইনৰ পোলিনা চেৰনেনক ৫-০ ফলাফলত পৰাভূত কৰে। একেদৰে দীপকে পুৰুষৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত থাইলেণ্ডৰ পীৰাপট য়েচুক ৫-০ ফলাফলত পৰাস্ত কৰে।

০০০০০

মুম্বাই ইণ্ডিয়ানছে যোৱানিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত গুজৰাট টাইটানছক ২০ ৰানত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২২৮ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২০৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাই ইণ্ডিয়ানছে এই জয়েৰে দ্বিতীয়খন কোৱালিফায়াৰত প্ৰৱেশ কৰিছে আৰু অভিলেখ সংখ্যক সপ্তমবাৰৰ বাবে আই পি এলৰ খিতাপ জয়ৰ আশা সজীৱ কৰি ৰাখিছে। গুজৰাট টাইটানছ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

**সমাপ্ত**